**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :20**-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কালি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত উপস্থিত হয়। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ উদ্দেশ্যেৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কালি দক্ষিণ কোৰিয়া চৰকাৰৰ বিভিন্ন প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰখনৰ বানপ' ভানংগা নদী উদ্যান পৰিদৰ্শন কৰে। গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰতো একেধৰণৰ উদ্যান নিৰ্মাণ তথা সৌন্দৰ্য বৰ্ধনৰ কাম কৰি থকা হৈছে আৰু শীঘ্ৰে উদ্যানখন ৰাইজৰ বাবে মুকলি কৰি দিয়া হ'ব বুলি তেওঁ সামাজিক মাধ্যমযোগে সদৰি কৰিছে।

দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰীয়ে অসমলৈ বিনিয়োগ বিচাৰি টকিঅ'ত উদ্যোগপতি তথা ব্যৱসায়িক নেতৃত্বৰ সৈতেও আলোচনাত মিলিত হ'ব। লগতে ড° শৰ্মাই দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে অসমত এক্ট-ইষ্ট নীতিক সুদৃঢ় কৰাৰো প্ৰয়াস কৰিব। জাপান আৰু দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তত অহা ১০ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০০০

ধেমাজিৰ মাছখোৱাত আজি হ'বলগীয়া অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত আকাশবাণী গুৱাহাটী কেন্দ্ৰক অনুপ্ৰেৰণা বঁটা ২০২৫ আগবঢ়োৱা হ'ব। এই অনুষ্ঠানতে আকাশবাণীৰ নিয়মীয়া শ্ৰোতা তথা পত্ৰলেখক বঁটা দেৰগাঁৱৰ মণ্টু বৰুৱা, লখিমপুৰৰ শান্তিৰাণী নাথ বৰুৱা আৰু ধেমাজিৰ দেৱদত্তলৈ আগবঢ়োৱা হ'ব। শ্ৰেষ্ঠ ঘোষিকা বঁটা ২০২৫ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা বন্দনা হাজৰিকা আৰু যোৰহাট কেন্দ্ৰৰ ঘোষিকা পূৰৱী সভাপণ্ডিত ভট্টাচাৰ্যলৈ আগবঢ়োৱা হ'ব। নগাঁৱৰ প্ৰাঞ্জল শইকীয়াক সংবাদ বন্ধু বঁটা ২০২৫ আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বৰষা কোঁৱৰক অনুষ্ঠান প্ৰযোজকৰ বঁটা প্ৰদান কৰা হ'ব। এই বঁটাসমূহ অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ তৰফৰ পৰা আগবঢ়োৱা হ'ব।

০০০০০০

যোৰহাটৰ মধুমিশ্ৰ সত্ৰৰ প্ৰাক্তন অধিকাৰ শ্ৰীনাথ দেৱগোস্বামী স্মাৰক বক্তৃতা অনুষ্ঠানত কালি অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে বক্তৃতা দিয়ে। যোৰহাট নগৰৰ শংকৰদেৱ কলাকৃষ্টি গৱেষণা কেন্দ্ৰত আয়োজিত এই অনুষ্ঠানত **ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভৰ পাছত জাতিৰ কৰ্তব্য** বিষয়ত বক্তব্য আগবঢ়াই বিশিষ্ট ভাষাবিদ, সাহিত্যিক ড° বসন্ত কুমাৰ গোস্বামীয়ে কয়, যে অসম চৰকাৰৰ উদ্যোগত অসমীয়াই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিলে। এই স্বীকৃতিয়ে অসমীয়া বৰ্ণমালাৰ প্ৰচীনত্ব নিৰূপনৰ বাট আমাক দেখুৱাই দিলে। ড° গোস্বামীয়ে কয়, যে অসমত প্ৰান্তীয় ভাষাৰ সাহিত্য ৰচনা ভাৰতৰ ভিতৰতে প্ৰথম বুলি ক'ব পাৰি। আঞ্চলিক ভাষাত মাধৱ কন্দলীয়ে সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰিছিল। অসম সাহিত্য সভাই মাধৱ কন্দলীৰ সপ্তকাণ্ড ৰামায়ণৰ ইংৰাজী আৰু হিন্দী ভাষালৈ অনুবাদ আৰু দক্ষিণ ভাৰতীয় তামিল, তেলেগু, মালায়লাম আদি ভাষালৈ অনুবাদ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। বহুসংখ্যক ব্যক্তি

উপস্থিত থকা কালিৰ এই স্মাৰক বক্তৃতা অনুষ্ঠানত প্ৰয়াত গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০০০

২০১৮-১৯ বিত্তীয় বৰ্ষৰ তুলনাত শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ নিজস্ব ৰাজহ সংগ্ৰহ ৫০ শতাংশ পৰ্যন্ত বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ২০১৮-১৯ বৰ্ষত অসম চৰকাৰৰ মুঠ নিজা ৰাজহ ২৪ হাজাৰ ১৪৬ কোটি টকা আৰু ২০২০-২১ বৰ্ষত ২০ হাজাৰ ৩৩ কোটি আছিল যদিও ২০২১-২২ বৰ্ষত সেই পৰিমাণ ২৩ হাজাৰ ১১৩ কোটি, ২০২২-২৩ বৰ্ষত ৩০ হাজাৰ ২৬৩ কোটি আৰু ২০২৩-২৪ বৰ্ষত ৩৪ হাজাৰ ৮১ কোটি টকালৈ বৃদ্ধি পায়। ২০২৪-২৫ বিত্তীয় বৰ্ষ সম্পূৰ্ণ হোৱালৈ এই পৰিমাণ ৩৬ হাজাৰ কোটি টকা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

শিৰসাগৰ জিলাৰ দিচাংমুখৰ কৃষক পোহাৰাম পাংগিঙে ২০০ বিঘা মাটিত উৎপাদিত অন্যান্য শাক-পাচলিৰ লগতে ৰঙালাও আৰু কাজি নেমু দেশৰ কেইবাখনো ৰাজ্যৰ লগতে ডুবাইলৈ ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছে। খেতিয়কগৰাকীয়ে বিগত বৰ্ষৰ ডিচেম্বৰ মাহত ২৫ মেট্ৰিক টন পাচলি ডুবাইলৈ প্ৰেৰণ কৰিছিল। ইতিমধ্যে দিচাংমুখৰ শাক-পাচলিয়ে বিদেশৰ বজাৰত সমাদৰ লাভ কৰিছে। বিগত কেইবাদশক ধৰি দিচাংমুখৰ থলুৱা কৃষকসকলে সীমিত সুবিধাৰে দিখৌ, ব্ৰহ্মপুত্ৰ আৰু দৰিকাৰ চৰ-চাপৰিসমূহত বিভিন্ন ধৰণৰ ৰবি শস্যৰ উৎপাদন কৰি আহিছে। চাপৰিসমূহত উৎপাদন কৰা শাক-পাচলিয়ে শেহতীয়াকৈ বিদেশৰ বজাৰত সমাদৰ লাভ কৰাত কৃষকসকল উৎফুল্লিত হৈ পৰে।

০০০০০০০

প্ৰথমবাৰলৈ অনুষ্ঠিত খো খো বিশ্বকাপৰ পুৰুষ আৰু মহিলা উভয় শাখাতেই চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। ভাৰতীয় পুৰুষ দলটোৱে ফাইনেলত নেপালক ৫৪-৩৬ পইণ্টৰ ব্যৱধানত আৰু মহিলা দলে নেপালকেই ৭৮-৪০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**